*Total number of Pages :* 16

**Subject Code : 01**

**1007**

Google Play
Download Now!
SEBA/HSLC
পুৰণি
প্ৰশ্ন কাকত
HSLC Question Paper
BELLAL HOSSAIN MONDAL©

**B15-AS**
**(Assamese)**

**2015**

# ASSAMESE

## (MODERN INDIAN LANGUAGE)

## (For both New and Old Course)

*Full Marks : 100*

*Pass Marks : 30*

*Time : Three hours*

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত GROUP-A (ক-বিভাগ) আৰু GROUP-B (খ-বিভাগ)-ৰ উত্তৰ কৰিব লাগিব

অথবা

GROUP-A (ক-বিভাগ) আৰু GROUP-C (গ-বিভাগ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব ।

*Contd.*

## GROUP-A (ক-বিভাগ)

মূল্যাংক : ৭৫

১. তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা – ১ + ১ + ৩ = ৫

(ক) "আপোনালোকে যাক ভাল দেখে মোৰ আপত্তি নাই" – কথাষাৰৰ বক্তা কোন ? কি প্ৰসংগত বক্তাই এইদৰে কৈছিল ? ইয়াৰ পৰা বক্তাৰ কেনে মনোভাৱ প্ৰকাশ পাইছে ?

(খ) সংসাৰ সোঁতক কেইটা ভাগত ভগাব পাৰি ? ভাগসমূহ কি কি ? প্ৰতিটো ভাগৰ বিষয়ে চমুকৈ লিখা ।

(গ) "সামান্য লুখুৰাসনৰ ল'ৰা সি, আজি কাৰেং ৰক্ষা কৰে !!" – উক্তিটোৰ বক্তা কোন ? লুখুৰাসনৰ ল'ৰা বুলি কাক কোৱা হৈছে ? কি অৱস্থাত পৰি তেওঁ কাৰেং ৰক্ষা কৰিবলগীয়া হৈছে - চমুকৈ বৰ্ণনা কৰা ।

BELLAL HOSSAIN MONDAL

২. তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা – ৪

(ক) "এই সাহিত্যাই মানুহৰ ৰুচি উন্নত কৰিলে, এইসকল সাহিত্যিক অসমৰ জনশিক্ষাৰ শক্তিমন্ত্ৰ অগ্ৰদূত" – 'অসমীয়া সাহিত্যৰ তিনিটা ধাৰা' নামৰ পাঠটিত থকা এই উক্তি সম্পৰ্কে বিৱৰি লিখা ।

(খ) "লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিল" – কিহৰ লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিছিল ? এই ৰূপান্তৰ কিদৰে ঘটিছিল 'অসমৰ জনগোষ্ঠীৰ গাঁথনি আৰু সংস্কৃতি' নামৰ পাঠৰ আধাৰত চমুকৈ লিখা ।

৩. তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা – ৩

(ক) কাঁহৰ বাচন-বৰ্তন নিৰ্ম্মাণ কৰা প্ৰণালীটোৰ কৌশল সম্পৰ্কে চমুকৈ বুজাই লিখা ।

(খ) "স্বাভাৱিকতাই চলচ্চিত্ৰ অভিনয়ৰ একমাত্ৰ গুণ বুলি ক'লেও বঢ়াই কোৱা নহয়" – চমুকৈ লিখা ।

BELLAL HOSSAIN MONDAL

৪. তলৰ প্ৰতিটো প্ৰশ্নৰ চমু উত্তৰ লিখা – ২ × ৫ = ১০

(ক) কি তিনিটা কথাত মানুহৰ হাত নাই ?

নাইবা

ৰুচিনাথে কাক সিংহাসনৰ পৰা নমাই কাক বহুৱাবলৈ ৰাজকাৰেঙত প্ৰৱেশ কৰিছিল ?

(খ) সমগ্ৰ অসম দেশখন প্ৰাচীন কালৰ পৰা কি কি দুটা বিদ্যাত প্ৰসিদ্ধ আছিল ?

নাইবা

অসমৰ চাহ-বনুৱাসকল ভাৰতবৰ্ষৰ কোন কোন প্ৰদেশৰ পৰা অহা বুলি 'অসমৰ জনগোষ্ঠীৰ গাঁথনি আৰু সংস্কৃতি' নামৰ পাঠটিত উল্লেখ কৰা হৈছে ?

(গ) দুই প্ৰকাৰৰ কাঁহৰ বাতিৰ নাম লিখা ।

(ঘ) মঞ্চ অভিনেতাৰ তেওঁ প্ৰতিনিধিত্ব কৰা চৰিত্ৰৰ মানসিক ৰূপ দাঙি ধৰিবলৈ কি কি বিষয়ৰ প্ৰয়োজন হয় ?

(ঙ) জগত স্ৰজোঁতাজনে মানুহক কি গুণ দান কৰি সকলো প্ৰাণীতকৈ শ্ৰেষ্ঠ কৰি তুলিছে ?

৫. অতি চমুকৈ উত্তৰ লিখা : ১×৩=৩.

(ক) কাৰ দিনত অসমলৈ ৰেলগাড়ী আহিছিল ?

(খ) ভগবান বুদ্ধই জনসাধাৰণৰ মাজত কি ভাষাত ধৰ্মবাণী প্ৰচাৰ কৰিছিল ?

(গ) “মই নিজেই বিচাৰি খামগৈ নহয়, তহঁত ব্যস্ত হ’ব নালাগে” – কথাষাৰ কোনে কৈছিল ?

৬. তলৰ যি কোনো এটা কবিতাৰ সাৰাংশ লিখা – ৪

(ক) বৰগীত

(খ) আমাৰ নিয়ম

BELLAL HOSSAIN MONDAL

৭. তলৰ যি কোনো এছোৱা প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা – ৫

(ক) এই দেশ ৰাখিব লাগিব

এইখন আপোনাৰ দেশ

এইখন মানুহৰ দেশ ।

(খ) জগতৰ স্বামী তুমি, মোৰ স্বামী হ’বা সেই বুলি,

দোষ মোৰ কপালৰ, আছে বহু কলংকৰ মলি ।

৮. তলৰ প্ৰশ্ন দুটাৰ চমু উত্তৰ লিখা – ৩×২=৬

(ক) বহাগীৰ বিয়াত আহি আয়তী সকলে কি কি কৰিছিল ?

অথবা

"ফুলৰ গৰাকী সেই ফুল গছজুপি;

ফুল ছিঙা যেতিয়া গছৰ

চোৰাঁনে এবাৰ ভাবি, - আছেনে তোমাৰ অধিকাৰ ফুল ছিঙিবৰ ।" কবিতাফাকিৰ তাৎপৰ্য ব্যাখ্যা কৰা ।

(খ) "নহওঁ পবিত্ৰ মই, দাসী মই, সেৱিকা তোমাৰ" – দেৱদাসীয়ে নিজকে পবিত্ৰ নহয় বুলি কিয় কৈছে আৰু কি হিচাপে দেৱতাৰ ওচৰত শৰণ লৈছে ?

নাইবা

"পাৰ হৈ উচ্ছল বাৰিধি

পাৰ হৈ গভীৰ অৰণ্য

দ্বীপময় ভাৰত গঢ়িছে

কম্বোজত সাজিছে

ওঙ্কাৰ ধাম" – কবিতাফাকিৰ সাৰমৰ্ম লিখা ।

BELLAL HOSSAIN MONDAL

৯. পলাশী নাইবা শৰাইঘাটৰ যুদ্ধৰ বিষয়ে চমুকৈ লিখা । ২

১০. তলৰ প্ৰশ্ন কেইটাৰ অতি চমুকৈ উত্তৰ লিখা – ১ × ৩ = ৩

(ক) ‘কাম্পা’ শব্দটোৰ অৰ্থ লিখা ।

(খ) পাটমাদৈয়ে গাত কি মেৰিয়াই আহিছিল ?

(গ) মানুহৰ দ্বাৰা গঠিত ৰীতি-নীতিত কি জড়িত হৈ আছে ?

১১. তলত দিয়া **যি কোনো পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখা – ২ × ৫ = ১০

(ক) তলত দিয়া যি কোনো দুটাৰ ব্যাস-বাক্য সহ সমাসৰ নাম লিখা :

ৰাধাকৃষ্ণ, দোমাহী, চক্ৰপাণি, শুক্লপক্ষ

(খ) তলৰ যি কোনো দুটা শব্দত ‘ণ’ আৰু ‘ষ’ কি কাৰণে হৈছে বুজাই লিখা :

ঋণ, উত্তৰায়ণ, বিষাদ, যুধিষ্ঠিৰ

(গ) তলত দিয়া যি কোনো দুটা শব্দৰ বিপৰীতাৰ্থক অৰ্থ লিখা :

গহীন, কৃশ, সন্মান, ক্ষয়

(ঘ) তলৰ যি কোনো দুটাৰ অৰ্থ প্ৰকাশ হোৱাকৈ একোটি বাক্য ৰচনা কৰা :

উখল মাখল, আঁচলৰ ধন, উৰহীৰ ওৰ, জয়দেউ কাকূতি

(ঙ) তলত দিয়া যি কোনো দুটা শব্দৰ সন্ধি ভাঙা :

উচ্ছল, কটূক্তি, ইত্যাদি, নিশ্চয়

BELLAL HOSSAIN MONDAL

(চ) তলত দিয়া যি কোনো দুটা শব্দৰ সমাৰ্থক শব্দ লিখা :

চকু, নদী, ঘৰ, আকাশ

(ছ) তলৰ যি কোনো দুটাক এটা শব্দত প্ৰকাশ কৰা :

পনীয়া গাখীৰ দিয়া গাইগৰু, যাৰ ঈশ্বৰৰ অস্তিত্বত বিশ্বাস নাই, যি কথাৰ অৰ্থ নাই, এবাৰ গুটি লাগি মৰা গছ ।

(জ) যথাস্থানত যতি চিহ্ন বহুওৱা –

ৰীণাই ক'লে আজি স্কুল বন্ধনে

(ঝ) তলত দিয়া জটিল বাক্যটি সৰল বাক্যলৈ পৰিবৰ্তন কৰা –

যিজন লোক অকৃতজ্ঞ, তেওঁ ক'তো আসন নাপায় ।

BELLAL HOSSAIN MONDAL

১২. (ক) ভাব সম্প্ৰসাৰণ কৰা – ৪

লাগি থাকিলে মাগি নাখায় ।

নাইবা

অসমীয়া বিষয়ৰ দুই-এটা পাঠ তুমি ভালদৰে বুজি পোৱা নাই । ইয়াৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত পাঠদানৰ ব্যৱস্থা কৰি দিবৰ বাবে প্ৰধান শিক্ষকলৈ এখন আবেদন পত্ৰ লিখা ।

(আবেদনত তোমাৰ নাম-ঠিকনা নিলিখিবা)

১৩. তলত দিয়া যি কোনো এটা বিষয়লৈ এখনি ৰচনা লিখা ।

(ক) সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা

(আৰম্ভণি - শিক্ষা আৰু কৰ্মজীৱন – সাহিত্যিক অৱদান – সামৰণি)

(খ) বাতৰিকাকত

(আৰম্ভণি - চমু ইতিহাস – সমাজজীৱনত ইয়াৰ প্ৰভাৱ – সামৰণি)

(গ) তোমাৰ জীৱনৰ লক্ষ্য

(আৰম্ভণি – জীৱনৰ লক্ষ্য – লক্ষ্য বাচিলোৱাৰ মূল কাৰণ – লক্ষ্যত কেনেদৰে উপনীত হ'বা – সামৰণি)

১৪. তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ২ × ২ = ৪

(ক) প্ৰেৰনাৰ কণমানি কোঠাটো কিহেৰে ভৰি আছে ? প্ৰেৰণাই বন্ধু-বান্ধৱীৰ জন্মদিনত কি উপহাৰ দিয়ে ?

(খ) "তাইৰ বুকুখন চিৰিংকৈ গ'ল" – 'তাইৰ' মানে কাক বুজোৱা হৈছে ? বুকুখন চিৰিংকৈ উঠাৰ কাৰণটো কি ?

(গ) গানৰ চাৰক দেখিলে প্ৰেৰণাৰ কেনেভাৱ হৈছিল ?

BELLAL HOSSAIN MONDAL

১৫. তলৰ যি কোনো দুটা চৰিত্ৰৰ চমু পৰিচয় দিয়া : ২ × ২ = ৪

(ক) বলাই

(খ) সুস্মিতা

(গ) আইতা

(ঘ) জিলমিল

## GROUP-B (খ-বিভাগ)

মূল্যাংক : ২৫

১৬. (ক) স্বৰ্গদেৱে পোতা চিয়ৰীবোৰ কোনে, কি কাৰণে উভালি দিছিল খৰচি মাৰি বুজাই লিখা । ৩

নাইবা

(খ) তীৰ্থভ্ৰমণৰ সময়ত গুৰুজনে শিমলুগছৰ ছাঁ নগছকি কিয় গৈছিল ?

১৭. অতি চমুকৈ উত্তৰ লিখা (**যি কোনো তিনিটাৰ**) ১×৩=৩

(ক) মহাৰাজ প্ৰতাপসিংহৰ জেঠেৰীয়েক কোন ?

(খ) শিঙৰীত বেহা কৰা সদাগৰজনৰ নাম কি আছিল ?

(গ) মাধৱদেৱে কোন ঠাইৰ পৰা গুৰু শংকৰদেৱৰ ওচৰলৈ আহিছিল ?

(ঘ) জাঙ্গিত কি লাগি আছিল ?

(ঙ) পাটবাউসী সত্ৰখন কোনে প্ৰতিষ্ঠা কৰিছিল ?

১৮. চিলাৰায়ে আহোম ৰজালৈ পঠোৱা কটকীদুজনৰ নাম কি ? ২

১৯. 'চিত্ৰকূট বৰ্ণন' ত উল্লেখ কৰা ফল আৰু পক্ষীৰ এটি বৰ্ণনা দিয়া । ৩

BELLAL HOSSAIN MONDAL

নাইবা

"কাঠ বাঁজী বুলি জগতে হাসয়

দেখিলে সুমৰি যৰি ।

মই আসি তোৰ ঘৰে পুত্ৰ ভৈলো

সিটো দুখ দূৰ কৰি ।।" কবিতাফাকিৰ তাৎপৰ্য বিচাৰ কৰা ।

২০. "মোহিনী স্বৰূপে অমৃত পিয়ালো ৩

সাধিলো দেৱৰ কাম ।" – কোনে মোহিনী ৰূপ ধাৰণ কৰিছিল ? তেওঁ কাক অমৃত খুৱাই দেৱতাৰ কাৰ্য সাধন কৰিছিল - খৰচি মাৰি লিখা ।

২১. তলৰ যি কোনো দুটা শব্দৰ অৰ্থ লিখা । ১×২ = ২

কাণ্ড, শুকসাৰি, চৌপৰ, ৰজনী

BELLAL HOSSAIN MONDAL

২২. তলৰ যি কোনো এটা অশুদ্ধ বাক্য শুধৰাই লিখা । ১

(ক) তোমাৰ মা ঘৰত আছেনে ?

(খ) তুমি মোক কিয় এইদৰে গালি দিছা ?

২৩. তলৰ প্ৰশ্ন দুটাৰ অৰ্থ লিখা : ১×২=২

(ক) 'সম্' উপসৰ্গযুক্ত হোৱা দুটা শব্দ লিখা ।

(খ) 'দেই' অনুসৰ্গৰ প্ৰয়োগ দেখুৱাই এটি বাক্য লিখা ।

২৪. সমাৰ্থক শব্দ লিখা (যি কোনো এটা) ১

(ক) পদুম

(খ) জুই

২৫. তলত দিয়া শব্দবোৰৰ আধুনিক ৰূপ লিখা (যি কোনো এটা) ১

(ক) শুতিয়া

(খ) পাশ

(গ) হন্তে

২৬. যি কোনো দুটাৰ চমুটোকা লিখা ২×২=৪

BELLAL HOSSAIN MONDAL

(ক) অমিত্ৰাক্ষৰ

(খ) পদ ছন্দ

(গ) দুলড়ী

(ঘ) লেচাৰি

(ঙ) চৰণ

## GROUP-C (গ-বিভাগ)

## SANSKRIT

মূল্যাংক : ২৫

1. Translate any **two** of the following to your mother language : **4 × 2 = 8**

তলৰ যি কোনো **দুটা** তোমাৰ মাতৃভাষালৈ অনুবাদ কৰাঁ :

(a) ततः शशकस्तं <u>गृहीत्वा</u> गभीरकूपसमीपमागतः । अत्रागत्य पश्यतु स्वामी, इत्युक्त्वा तस्मिन् कूपजले तस्यैव प्रतिबिम्बं दर्शितवान् । ततोऽसौ सिंहः मदोन्मत्तस्तस्य कूपस्योपर्यात्मानं निक्षिप्य पञ्चत्वं गतः ।

(b) अथ राजा गदापाणिम् अप्राप्य जयमतीम् एव राजसभाम् आनीय सकोपम् <u>अपृच्छत्</u> – "अरे दुर्विनीते ! कुत्र पलायितः ते पतिः तत् वद, अन्यथा ते दुर्गतिः ध्रुवा" इति ।

(c) अथ तन्दीभूतम् पुरुम् राजानम् पुरतः समानीय आलेक-जेण्डारः अपृच्छत् – "त्वया सह कीदृक् व्यवहर्तव्यम्" इति । पुरुः सगर्वम् <u>अभाषत</u> "महावीर ! राजानम् प्रति राजोचितव्यवहारः कार्यः" इति ।

BELLAL HOSSAIN MONDAL

2. Answer any **one** of the following : **3**

তলৰ যি কোনো **এটাৰ** উত্তৰ লিখাঁ :

(a) What are the characteristics of greatness ?

মহত্বৰ লক্ষণ কি ?

(b) Quote from memory a verse from your text showing the glory of a meritorious Son.

গুণী পুত্ৰৰ মহত্ব সম্পৰ্কে উল্লেখ থকা তোমাৰ পাঠ্যপুথিৰ এটি শ্লোক মুখস্থ লিখাঁ ।

3. Answer any **one** of the following questions : 3

তলৰ প্ৰশ্নবোৰৰ যি কোনো **এটাৰ** উত্তৰ লিখাঁ :

(a) What was the punishment Lachit meted out to his मातुलम् ?

লাচিতে তেওঁৰ মোমায়েকক কি শাস্তি দিছিল ?

(b) "देव ! किमर्थं सर्वपशुबध: क्रियते ?"

Who did utter these words ? Who is addressed as 'देव' here ?

এই কথাখিনি কোনে কৈছিল ? ইয়াত 'देव' বুলি কাক সম্বোধন কৰা হৈছে ?

(c) Why did Indra want to test Sivi ?

ইন্দ্ৰই কিয় শিৱিক পৰীক্ষা কৰিব বিচাৰিছিল ?

4. Fill in the blanks in the following verse with appropriate words : 2

উপযুক্ত শব্দৰে তলৰ শ্লোকফাঁকিৰ খালী ঠাই পূৰন কৰাঁ :

न ________ जानाति किं कस्य श्वो भविष्यति ।

अत: श्व: करणीयानि ________ बुद्धिमान् ।।

**OR/অথবা**

________ वस्तूनां संहति: कार्यसाधिका ।

तृणैर्गुणत्वमापन्नैर्बध्यन्ते ________ ।।

BELLAL HOSSAIN MONDAL

5. (a) Derive any **two** of the following words : $1 \times 2 = 2$

তলৰ যি কোনো **দুটা** পদৰ ব্যুৎপত্তি লিখাঁ :

(i) गृहीत्वा in Q.No. 1 (a)

1 নং (a) প্ৰশ্নত ।

(ii) अपृच्छत् in Q.No. 1 (b)

1 নং (b) প্ৰশ্নত ।

BELLAL HOSSAIN MONDAL

(iii) अभाषत in Q.No. 1 (c)

1 নং (c) প্ৰশ্নত ।

(iv) भविष्यति in Q.No. 4

4 নং প্ৰশ্নত ।

(b) Decline any **two** of the following : $1 \times 2 = 2$

তলৰ যি কোনো **দুটাৰ** শব্দৰূপ লিখাঁ :

(i) पति in 2nd case-ending plural

पति দ্বিতীয়া বিভক্তিৰ বহুবচনত ।

(ii) नदी in 7th case-ending plural

नदी সপ্তমী বিভক্তিৰ বহুবচনত ।

(iii) पितृ in 3rd case-ending singular

पितृ তৃতীয়া বিভক্তিৰ একবচনত ।

(iv) अस्मद् in 5th case-ending singular

अस्मद् পঞ্চমী বিভক্তিৰ একবচনত ।

(c) Conjugate any **two** of the following : $1 \times 2 = 2$

তলৰ যি কোনো দুটাৰ ধাতুৰূপ লিখাঁ :

√गम् + लट् थ; √अद् + लोट् हि ;

√अस् + लङ् अन्; √नृत् + लृट् स्यामि ।

(d) Frame adjectives from any **two** of the following nouns : $1\frac{1}{2} \times 2 = 3$

তলৰ যি কোনো দুটা বিশেষ্যৰ পৰা বিশেষণ পদ গঠন কৰাঁ :

शिव:; पृथिवी; सभा; लोक: ।

---

BELLAL HOSSAIN MONDAL